# আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ-২০১৭

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়, গুৱাহাটী-২২

*(গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ অন্তৰ্গত)*

প্ৰেৰক ঃ ড° শিখামণি কোঁৱৰ

অধ্যক্ষ তথা সভাপতি, আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ সমিতি

কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়

প্ৰযত্নে ঃ মণ্ডলৰ অন্তৰ্গত মহাবিদ্যালয়ৰ অধ্যক্ষসকল

**বিষয়- গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ (২০১৭) বৰ্ষ ।**

শ্ৰদ্ধাভাজনেষু,

আন্তৰিক অভিনন্দন গ্ৰহণ কৰিব। আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে, গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ দ্বাৰা পৰিচালিত আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ (২০১৭চন) ৭,৮ আৰু ৯ ছেপ্তেম্বৰ, বৃহস্পতি বাৰৰ পৰা শনিবাৰলৈ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ চৌহদত তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱৰ সামৰণি পৰিব ৯ছেপ্তেম্বৰ-২০১৭, শনিবাৰে।

এইবাৰৰ মাণ্ডলিক যুৱ মহোৎসৱত অনুষ্ঠিত হ'বলগীয়া সকলো ধৰণৰ প্ৰতিযোগিতা আৰু প্ৰাসংগিক বিষয়ৰ বিতং তথ্য আৰু নিয়মাৱলী এই প্ৰত্ৰৰ লগত সংলগ্ন কৰি দিয়া হৈছে। এই প্ৰত্ৰৰ লগত সংলগ্ন সকলো প্ৰ-পত্ৰ আৰু আন আন নথি যাৱতীয় নীতি অনুযায়ী পূৰণ কৰি ২৮ আগষ্ট, সোমবাৰৰ ভিতৰত পোৱাকৈ নিম্ন স্বাক্ষৰকাৰীৰ ঠিকনাত প্ৰেৰণ কৰিবলৈ আপোনাক/আপোনালোকক অনুৰোধ জনালোঁ।

মাণ্ডলিক যুৱ মহোৎসৱখনি সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত আপোনাৰ আৰু আপোনাৰ মহাবিদ্যালয় পৰিয়ালৰ পৰা সকলোধৰণৰ সহায়-সহযোগিতা আমি সৰ্বান্তঃকৰণে কামনা কৰিছোঁ।

ধন্যবাদ সহকাৰে-

সংলগ্ন নথি ঃ ১) বিতং তথ্য

২) যোগদানৰ প্ৰ-পত্ৰ

৩) প্ৰতিয়োগিতাৰ শিতান আৰু নিয়মাৱলী

প্ৰসংগ নং ঃগু.বি./গু.বি.ক্ৰী.প/ আ.ম.যু.ম. ২০১৭/১৪১১

প্ৰতিলিপিঃ ১/ উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়

২/ পঞ্জীয়ক, গুৱাহাটী বিশ্ববিদ্যালয়

৩/ কোষাধ্যক্ষ, গুৱাহাটী বিশ্ববিদ্যালয়

৪/ বিশ্ববিদ্যালয় (স্নাতকোত্তৰ), শ্ৰেণীসমূহৰ সচিব, গুৱাহাটী বিশ্ববিদ্যালয়

৫/ স্নাতকোত্তৰ ছাত্ৰ সন্থা, গুৱাহাটী বিশ্ববিদ্যালয়

৬/ সঞ্চালক, মহাবিদ্যালয় উন্নয়ন পৰিষদ।

**ড° শিখামণি কোঁৱৰ**

অধ্যক্ষ তথা সভাপতি, আন্তঃমহাবিদ্যালয়

মাণ্ডলিক যুৱ মহোৎসৱৰ উদ্‌যাপন সমিতি